গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আজি ইং 25-09-2021 তাৰিখৰ পৰা B.A./B.Com 4th Semester (CBCS) অপেন টেক্সট বুক পৰীক্ষা(OTBE) আৰম্ভ হ'ব । উক্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী সকলে পৰীক্ষা দিওতে নিম্নলিখিত নীতি-নিয়ম সমূহৰ প্ৰতি মনোযোগ দিব পাৰে

১) পৰীক্ষাৰ উত্তৰসমূহ **A4 size** কাগজত ক'লা চিয়াহীৰে লিখিব লাগিব । উত্তৰ বহীৰ নমুনা https://web.gauhati.ac.in/otbe লিংকত দিয়া আছে । উত্তৰসমূহ কাগজৰ এফালে লিখিব লাগিব, কাগজৰ দুয়োফালে লিখা বহী গ্ৰহনযোগ্য নহব ।

২) সকলো পৃষ্ঠাৰেই সোফালে ওপৰত পৃষ্ঠা নম্বৰ লিখিব লাগিব

৩) পৃষ্ঠাৰ সংখ্যা ১০ বা তাতোকৈ কম বা বেছি হ'ব পাৰিব কিন্তু কোনো অৱস্থাতেই **File size 5 mb** তকৈ বেছি হব নোৱাৰিব । **File size 5 mb** তকৈ বেছি হ'লে আপলোড নহ'ব

৪) **File** কেনেকৈ **Scan** কৰিব লাগিব, কেনেকৈ **Merge** কৰিব লাগিব আৰু কেনেকৈ **pdf** কৰিব লাগিব তাৰ সবিশেষ https://web.gauhati.ac.in/otbe লিংকত দিয়া আছে । সাধাৰনতে সঠিকভাৱে স্কেন কৰিলে এটা ১০ পৃষ্ঠাৰ **File 2 mb** মান হয়

৫) উত্তৰ বহী Scan, Merge আৰু **pdf** কৰিবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে কিছুমান **app** ৰ পৰামৰ্শ আগবঢ়াইছে । সেইবোৰ হ'লঃ

Kagaz Scanner, AIR Scanner, Tap Scanner, Photo Scanner, Adobe Scanner, Microsoft Office Lens, Tiny Scanner ইত্যাদি । উত্তৰ বহী Scanৰ বাবে ইয়াৰে যিকোনো এটা **app** ডাউনলোড কৰি ল'ব পাৰে বা এইবোৰৰ উপৰিও পৰীক্ষাৰ্থীসকলে ব্যৱহাৰ কৰি সহজ পোৱা আন যিকোনো **Scanner app** ও ব্যৱহাৰ কৰিব পাৰে

৬) পৰীক্ষা আৰম্ভ হোৱাৰ আধাঘন্টা আগতে প্ৰশ্নকাকত ডাউনলোড কৰিব পাৰিব আৰু পৰীক্ষা শেষ হোৱাৰ ঠিক ১ (এক) ঘন্টা পিছলৈকে ই-মেইল কৰাৰ সময় থাকিব

৭) পৰীক্ষাৰ সময় প্ৰশ্নকাকতত দিয়া থাকিব

৮) উত্তৰবহী সঠিকভাৱে স্কেন কৰা হৈছে নে নাই আৰু উত্তৰবহীৰ সকলো পৃষ্ঠা স্কেন কৰি এটা **pdf File** বনোৱা হৈছে নে নাই

৯) উত্তৰবহী **Black & White** কৰি লব লাগিব, **Colouring** ফাইল আপলোড নহয় আৰু আপলোড হলেও সেয়া গ্ৰহনযোগ্য নহব

১০) পুনৰায় চেক কৰিব লাগে যে **File size 5 mb** তকৈ বেছি হৈছে নেকি

১১) গতিকে পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ পূৰ্বে **Scanner app** ৰ ব্যৱহাৰ কৰি ঘৰতে থকা কিতাপ আদিৰ ফটো উঠাই **Scan** কৰা আৰু **pdf File** বনোৱাৰ পাৰ্যমানে **Practice** কৰিব লাগে

১২) পৰীক্ষাৰ প্ৰশ্নকাকত ডাউনলোড কৰিবলৈ www.gauhati.ac.in লিংকত গৈ **Open Text Book Examination**ত ক্লিক কৰি **Login** কৰিবলৈ পৰীক্ষাৰ্থীসকলে নিজৰ ৰেজিষ্ট্ৰেচন নম্বৰ, ৰেজিষ্টাৰ্ড মোবাইল নম্বৰ আৰু জন্মৰ তাৰিখ শুদ্ধকৈ ভৰাব লাগিব

১৩) যিহেতুকে এইয়া **Open Text Book Examination** গতিকে পৰীক্ষাৰ্থী সকলে উত্তৰবহী লিখোঁতে পাঠ্যপুথিৰ সহায় ল'ব পাৰিব

১৪) প্ৰশ্নকাকত ডাউনলোড আৰু উত্তৰবহী মেইল কৰাৰ সময়ত নেটৱৰ্কৰ স্পিড ঠিকে ৰাখিবলৈ পৰীক্ষাৰ্থীসকলে নিজেই ব্যৱস্থা ল'ব লাগিব

১৫) একাধিক পৰীক্ষাৰ্থীয়ে উত্তৰবহী মেইল কৰিবলৈ কোনো কম্পিউটাৰ দোকানলৈ একেলগে যোৱাটো ঠিক নহয়

১৬)

ক) সকলো পৰীক্ষাৰ্থীয়ে নিজৰ নিজৰ উত্তৰবহী সমূহ কলেজৰ নিম্নলিখিত ই-মেইল আইডিত পৰীক্ষা শেষ হোৱাৰ ১ ঘন্টাৰ ভিতৰত মেইল কৰিব লাগিব । উক্ত মেইল আইডিৰ বৈধতা পৰীক্ষা শেষ হোৱাৰ ১ ঘন্টা পিছলৈকেহে থাকিব ।

খ) সকলো পৰীক্ষাৰ্থীয়ে নিজৰ নিজৰ অৰিজিনেল উত্তৰবহী সমূহ অহা ইং ৯ আৰু ১০ অক্টোবৰ ২০২১ তাৰিখে এটা এনভেলপত ভৰাই নাম, পৰীক্ষাৰ ৰোলনং, পেপাৰ কোড, পেপাৰ টাইটেল আদি লিখি মহাবিদ্যালয়ৰ কাৰ্যালয়ত জমা দিব লাগিব

E-mail ID for today's Examination (25-09-2021) : **mc4semhc1ssb2021@gmail.com**

Scanned by TapScanner